DAILY ASSAM

## ১। প্ৰত্যয় (Suffixes)

৩ : ১ প্ৰকৃতি বা মূলৰ লগত বিভিন্ন অৰ্থত যিবোৰ বৰ্ণ বা বৰ্ণ সমষ্টি যোগ হৈ নতুন নতুন শব্দ বা পদ ৰচিত হয় তাকেই প্ৰত্যয় বোলে।

প্ৰত্যয় চাৰিবিধ– (ক) কৃৎ প্ৰত্যয় (Primary Suffixes) (খ) তদ্ধিত প্ৰত্যয় (Secondary Suffixes) (গ) স্ত্ৰী প্ৰত্যয় (Feminine Suffixes) আৰু (ঘ) বিভক্তি।

৩ : ২ (ক) কৃৎ প্ৰত্যয় (Primary Suffixes) :

ধাতু বা ক্ৰিয়াৰ মূলৰ লগত যিবোৰ প্ৰত্যয় যোগ হৈ কৃদন্ত পদ গঠিত হয়, সেই প্ৰত্যয়বোৰক কৃৎ প্ৰত্যয় বোলে। যথা,

পচ্ + ঘঞ = পাক, দা + ণক্ = দায়ক, হন্ + ণক্ = ঘাতক, ভিদ্ + অল = ভেদ, ভুজ + অনীয়া = ভোজনীয়া, কৰ্ + ওঁতা = কৰোঁতা, চল্ + অন্ত = চলন্ত, বিচ্ + অনী = বিচনী, বাচ + অনি = বাচনি ইত্যাদি।

(খ) তদ্ধিৎ প্ৰত্যয় (Secondary Suffixes) :

প্ৰাতিপাদিকৰ পিছত যিবোৰ প্ৰত্যয় যোগ হয় তাকেই তদ্ধিত প্ৰত্যয় বোলে। যথা,

বিষ্ণু + ষ্ণ = বৈষ্ণৱ, দয়া + আলু = দয়ালু, অসম + ঈয়া = অসমীয়া, বাট + অৰুৱা = বাটৰুৱা, পংক + ইল = পংকিল, ভক্তি + মতুপ্ = ভক্তিমান, সাধু + তা = সাধুতা, বন + অনি = বননি, ফুল + অনি = ফুলনি, আগ + অতীয়া = আগতীয়া, পুৰুষ + আলি = পুৰুষালি।

(তদ্ধিতৰ সবিশেষ জানিবলৈ তদ্ধিত প্ৰকৰণ চোৱা)।

(গ) স্ত্ৰী প্ৰত্যয় (Feminine Suffixes) :

নাম শব্দৰ স্ত্ৰী-লিংগ বুজাবলৈ যিবোৰ চিন বা প্ৰত্যয় ব্যৱহাৰ হয়, তাকেই স্ত্ৰী প্ৰত্যয় কোৱা হয়। প্ৰকৃততেই লিংগবাচক তদ্ধিত প্ৰত্যয় যথা,

ফুকন = ফুকননী, চোৰ = চুৰুনী, বাঘ = বাঘিনী (স্ত্ৰী প্ৰত্যয় দ্ৰষ্টব্য)

(ঘ) বিভক্তি :

প্ৰকৃতি অৰ্থাৎ প্ৰাতিপাদিক আৰু ধাতুৰ পিছত যিবোৰ চিন যোগ কৰি পদ গঠন কৰা হয় আৰু বাক্যত পদবোৰৰ স্থান নিৰ্ণীত হয়, সেই চিনবোৰকেই বিভক্তি কোৱা হয়। ই দুবিধ– (১) নাম বা শব্দ বিভক্তি আৰু (২) ক্ৰিয়া বিভক্তি।

(১) নাম বিভক্তি :

প্ৰাতিপাদিকৰ লগত যিবোৰ বিভক্তি যোগ হৈ বাক্যত স্থান নিৰ্ণয় কৰে, পদবোৰৰ পাৰস্পৰিক অন্বয় বা সম্বন্ধ দেখুৱায়, সেইবোৰেই নাম বিভক্তি। কাৰক নিৰ্ণয় কৰে বাবে কাৰক বিভক্তিও বোলে।

(নাম বিভক্তি চোৱা)

**(২) ক্ৰিয়া বিভক্তি বা ধাতুৰ বিভক্তি ঃ**

ধাতুৰ পিছত বিভিন্ন পুৰুষ আৰু কালত যিবোৰ চিন ব্যৱহাৰ হৈ ভাব প্ৰকাশ কৰে তাকেই ক্ৰিয়া বিভক্তি কোৱা হয়। যথা,

নিত্য বৰ্তমান কালত বিভিন্ন পুৰুষ— কৰ্ ধাতু

| | |
|---|---|
| মই কৰোঁ | আমি কৰোঁ |
| তই কৰ | তহঁতে কৰ |
| তুমি কৰাঁ | তোমালোকে কৰাঁ |
| সি কৰে | সিহঁতে কৰে |

(ক্ৰিয়া প্ৰকৰণ ক্ৰিয়া বিভক্তি চোৱা)

## কৃৎ প্ৰত্যয় (Primary Suffixes) ঃ

৩ ঃ ৩ ক্ৰিয়াৰ মূল বা ধাতুৰ লগত বিভিন্ন অৰ্থত যিবোৰ প্ৰত্যয় যোগ কৰি নতুন পদ গঠন কৰা হয় তাকেই কৃৎ প্ৰত্যয় কোৱা হয়।

যথা, কৰ্ ধাতু + আ প্ৰত্যয় = কৰা, পঢ় ধাতু + ই প্ৰত্যয় = পঢ়ি।

আ আৰু ই প্ৰত্যয় কৰ্ আৰু পঢ় ধাতুৰ পিছত যোগ হৈ সিদ্ধি হোৱা 'কৰা' আৰু 'পঢ়ি' দুটা পদ সৃষ্টি হৈছে। ইহঁতক কৃদন্ত পদ কোৱা হয়।

অসমীয়া ভাষাত সাধাৰণতে দুবিধ কৃৎ প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

(ক) অসমীয়া কৃৎ প্ৰত্যয় আৰু (খ) সংস্কৃত কৃৎ প্ৰত্যয়।

অসমীয়া অৰ্থাৎ তদ্ভৱ অৰ্ধ তৎসম্ বা দেশী ধাতুৰ পিছত কিছুমান অসমীয়া কৃৎ প্ৰত্যয় আৰু সংস্কৃত ধাতুৰ পিছত সংস্কৃত কৃৎ প্ৰত্যয় ব্যৱহাৰ হয়।

## প্ৰত্যয়ৰ বাচ্য

৩ ঃ ৪ বাক্যৰ বাচ্য যিদৰে থাকে প্ৰত্যয়ৰো সেইদৰে বাচ্য থাকে অৰ্থাৎ প্ৰত্যয়ৰ কিবা ক'বলগীয়া থাকে। যি অৰ্থত ধাতুৰ পিছত প্ৰত্যয় যোগ কৰা হয় সেয়ে প্ৰত্যয়ৰ বাচ্য। প্ৰত্যয়ৰ বাচ্য দুবিধ (ক) কাৰক বাচ্য আৰু (খ) ভাব বাচ্য।

(ক) ভাব বাচ্যত কেৱল ক্ৰিয়াৰ অৰ্থাৎ ধাতুৰ অৰ্থটো মাথোন প্ৰকাশ পায়, তাকেই ভাব বাচ্য বোলে। যেনে— দৃশ্ ধাতুৰ লগত অনট্ প্ৰত্যয় যোগ কৰিলে দৰ্শন পদ সৃষ্টি হয়। ইয়াৰ অৰ্থ হৈছে দৃশ্ ধাতুৰ **চোৱা কাৰ্যটো।**

(খ) কাৰক ছয় প্ৰকাৰৰ কাৰণে প্ৰত্যয়ৰ কাৰক বাচ্যও ছয় প্ৰকাৰৰ—

(১) কৰ্তৃবাচ্য ঃ ধাতুৰ লগত প্ৰত্যয়টো যোগ হ'লে কৰ্তাৰ অৰ্থ প্ৰকাশ কৰে অৰ্থাৎ ক্ৰিয়াৰ কাৰ্য কাৰক হৈ পৰে, তেতিয়া সেই প্ৰত্যয়ৰ কৰ্তৃবাচ্য হয়। যথা,

পা ধাতুৰ (ৰক্ষা কৰা, পালন কৰা), তৃচ্ প্ৰত্যয় যোগ হ'লে পিতা, অৰ্থাৎ পালন (ৰক্ষা) কৰোঁতা।

লিখ্ + অক = লিখক, যিয়ে লিখে।

(২) কৰ্ম বাচ্য ঃ যি বাচ্যত কৰ্ম কাৰকৰ অৰ্থ প্ৰকাশ কৰে সেয়ে কৰ্ম বাচ্য। যথা,

পূজ্ + অনীয়া = পূজনীয়া, অৰ্থাৎ যাক পূজা কৰিব লাগে, তিঁয়া + অনী = তিঁয়নী— অৰ্থাৎ যি কাপোৰ তিঁওৱা হৈছে। সেয়ে তিঁয়নী কাপোৰ। দেখ + অনিয়াৰ = দেখনিয়াৰ, অৰ্থাৎ যাক দেখিবলৈ ধুনীয়া সেয়ে।

(৩) কৰণ বাচ্য ঃ যি বাচ্যত কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰে সেয়ে কৰণ বাচ্য। যেনে,

শ্ৰু + অনট্ = শ্ৰৱণ অৰ্থাৎ যাৰে শুনিব পাৰি (কাণ)।

বিচ + অনী = বিচনী অৰ্থাৎ যাৰে বিচিব পাৰি।

এইদৰে নিমিত্ত, সম্প্ৰদান, অপাদান আৰু অধিকৰণ আদিৰ অৰ্থ বুজাবলৈ সেই বাচ্যত প্ৰত্যয় যোগ কৰা হয়।

## (ক) অসমীয়া কৃৎ প্ৰত্যয়

৩ ঃ ৫ ঃ ১ । অ (লুপ্ত অ) অসমীয়া ধাতুৰ পিছত যোগ হ'লে বিশেষ্য বা বিশেষণ নাম পদৰ সৃষ্টি হয়। যথা,

পক + অ = পক (বিশেষ্য)।

যেনে কলথোক পক ধৰিছে, জেঠত কঁঠালে পক ধৰে।

মৰ্ + অ = মৰ (বিশেষণ) মৰ কামোৰ, মৰ সাহ, মৰ খঁক।

মাত্ + অ = মাত (বিশেষ্য) মাত-কথা।

হাৰ্ + অ = হাৰ (বিশেষ্য) হাৰ মানিলে, হাৰ জিত্।

উঁৰ্ + অ = উঁৰ (বিশেষ্য) ৰজাৰ উঁৰলৈ (শাস্তিলৈ) চকু ৰাখাঁ।

চুৰ + অৰ = চুৰ (বিশেষ্য) চোৰে চুৰ কৰে।

২। **অক** ঃ নাম শব্দ বিশেষ্য বা বিশেষণ পঢ়িবলৈ অক প্ৰত্যয় ধাতুৰ পিছত যোগ কৰা হয়। যথা,

গণ্ + অক = গণক (গণনাকাৰী, জ্যোতিৰ্বিদ)।

কৰ্তৃবাচ্যত এই 'অক' প্ৰত্যয় যোগ হয়। যেনে, যিয়ে লিখে— লিখ্ + অক্ = লিখক, যিয়ে চলায়— চাল্ + অক = চালক। তেনেকৈ মাৰ্ + অক্ = মাৰক, পাল্ + অক = পালক, লাল্ + অক = লালক (পালন কৰোঁতা, স্বামী), ৰম্ + অক = ৰমক।

৩। অতি, তি ঃ কৃদন্ত বিশেষ্য কৰিবলৈ ধাতুৰ পিছত ব্যৱহাৰ হয়, চল্ + অতি = চলতি (চল্‌তি)। মান + অতি = মান্তি, জল + অতি = জলতি (জল্‌তি)। গণ + অতি = গন্তি, পুৰ + অতি = পুৰতি (পূৰ্তি), ভৰ + অতি = ভৰ্তি। সিঁচৰ + অতি = সিঁচৰতি। বাঢ় + অতি = বাঢ়তি।

৪। **অন্ত** ঃ ঘটমান অৰ্থ (Present Participle) বুজাবলৈ ধাতুৰ পিছত অন্ত প্ৰত্যয় ব্যৱহাৰ হয়। সিদ্ধি পদ বিশেষণ হয়। যথা,

চল্ + অন্ত = চলন্ত, যেনে, চলন্ত গাড়ীৰপৰা জঁপিয়াব নালাগে।

জ্বল + অন্ত = জ্বলন্ত, যেনে জ্বলন্ত প্ৰমাণ, জাগ + অন্ত = জাগন্ত।

**৫। ওঁতা, স্ত্ৰী অঁতী :** কৰ্তৃবাচ্যৰ ভাবত ধাতুৰ পিছত ওঁতা আৰু স্ত্ৰী-লিংগত অঁতী ব্যৱহাৰ হয়। কিছুমান পদ বিশেষ্য বা বিশেষণ হয়। পুৰণি অসমীয়াত অন্ত ব্যৱহাৰ হৈছিল। যথা, পুৰণি অসমীয়া : শুন + অন্তা = শুনন্তা, খা + অন্তা = খাৱন্তা, ইত্যাদি। আধুনিক অসমীয়া : ওঁতা- যথা, কৰ + ওঁতা = কৰোঁতা, স্ত্ৰী— কৰঁতী ; খা + ওঁতা = খাওঁতা, খাৱঁতী, খাঁতী ; শো + ওঁতা = শোওঁতা, স্ত্ৰী— শোৱঁতী ; পঢ় + ওঁতা = পঢ়োঁতা, স্ত্ৰী— পঢ়ঁতী ; শুন + ওঁতা = শুনোঁতা, স্ত্ৰী-শুনতী ইত্যাদি। (অন্ত + নিৰ্দেশক আ = অন্তা > অঁতা > ওঁত উদ্ভৱ হৈছে। স্ত্ৰী-লিংগত ঈ যোগ হোৱাত অঁতী)। পাঁচনী ধাতুতো ওঁতা যোগ হয়।

যথা— কৰাওঁতা, কৰোৱাওঁতা, শুৱাওঁতা, ইত্যাদি।

**৬। অন :** সংস্কৃত অন কৃৎ প্ৰত্যয়ৰ দৰে অসমীয়াত ক্ৰিয়াবাচক বিশেষ্য বুজাবলৈ ব্যৱহাৰ হয়। 'অন'ৰ অন্ত্য অ অসমীয়াত উচ্চাৰণ নহয়। যথা, খা + অন = খাৱন (ও আৰু আ-কাৰান্ত ধাতুৰ পিছত অন যোগ হোৱাত ৱ আগম হয়)। তেনেকৈ শো + অন = শোৱন, পিন্ধ্ + অন = পিন্ধন, বান্ধ্ + অন = বান্ধন, নাচ্ + অন = নাচন, গজ্ + অন = গজন, যা, গম্ + অন = গমন, উৰ্ + অন = উৰণ, বাঢ়্ + অন = বাঢ়ন, চল + অন = চলন।

**৭। অনা :** ধাতুৰ লগত সম্বন্ধিত বস্তু বুজাবলৈ 'অনা' (অন + আ < আক) ব্যৱহাৰ হয়। বিভিন্ন কাৰক বাচ্যত ব্যৱহাৰ হয়। যথা, যাৰে বজোৱা হয় সেয়ে বাজনা, বাজ্ + অনা। তেনেকৈ, বিন্ধ্ + অনা = বিন্ধনা (যাৰে বিন্ধোৱা হয়) চেপ + অনা = চেপেনা (যাৰে চেপা হয়, স্বৰ সমীভৱনৰ বাবে চেপনা নহৈ চেপেনা হৈছে।) খেল + অনা = খেলনা (যাৰে খেলা যায়), দি + অনা = দেনা (যি দিব লাগে), পা + অনা = পাওনা (যি পাব লাগে), (ৱ শ্ৰুতি আগমন হৈছে)।

**৮। অনি, অনী :** অন প্ৰত্যয়ৰ দৰে সম্বন্ধিত বস্তু বা কাৰ্য বুজাবলৈ > সংস্কৃত অন + ইকা > অনিআ > অনী, অনি ব্যৱহাৰ হয়। মুলতঃ স্ত্ৰী-লিংগত ঈ-কাৰ্ থাকিলেও স্ত্ৰী-লিংগৰ ভাব হেৰাইছে। যেতিয়া স্ত্ৰী-লিংগৰ ভাব থাকে তেতিয়া ঈ-কাৰ থাকে। যথা,

ৰান্ধ্— ৰান্ধ্ + অন = ৰান্ধন > ৰন্ধন, ৰান্ধ্ + অনি = ৰান্ধনি, কিন্তু স্ত্ৰী-লিংগত ৰান্ধনী।

নাচ— নাচ্ + অন = নাচন, নাচ্ + অনী = নাচনী।

কৰ্তৃবাচ্যত— ৰো + অনি = ৰোৱনি (যিয়ে ৰোৱে), স্ত্ৰী— ৰোৱনী, দা— দাৱনি (যিয়ে দায়) স্ত্ৰী— দাৱনী।

কৰণ বাচ্যত— চাল্ + অনি = চালনি, চালনী, জান্ + অনি = জাননী, বিচ্ + অনি = বিচনী।

ভাব বাচ্যত বুজ্ + অন = বুজন, অনি = বুজনি, পক্ + নি = পকনি, পাত্ + অনি = পাতনি, জিৰা + অনি = জিৰণি, নাম্ + অনি = নামনি, উজা + অনি

= উজনি, বাছ্ + অনি = বাছনি, শুক + অনি = শুকনি, ভৰ + অনি = ভৰণি, তৰ্ + অনি = তৰণি, ভাঙ্ + অনি = ভাঙনি, কঁপ্ + অনি = কঁপনি, লিখ্ + অনি = লিখনি (লিখন কাৰ্য), গচক + অনি = গচকনি।

**৯। অনী :** কৰ্তৃবাচ্যত— বাঢ় + অনী = বাঢ়নী (ভাগবটাই দিওঁতা), নাচ্ + অনী = নাচনী (তাঁতশালৰ সঁজুলি) ধৰ্ + অনী = ধৰণী। কৰ্মবাচ্যত— তিঁয়া = অনী = তিঁয়নী।

কৰণ বাচ্যত যাৰদ্বাৰা বিচা হয় সেয়ে— বিচনী (বিচ্ + অনী), যাৰ দ্বাৰা লিখা হয় সেয়ে— লিখনী (লিখ্ + অনী, ঢকা যায় যাৰদ্বাৰা সেয়ে— ঢাকনী (ঢাক + অনী)।

স্ত্ৰী-লিংগ বুজাবলৈ অনী ব্যৱহাৰ হয়— ৰান্ধনী, বাঢ়নী, ৰোৱনী, শুৱনী ইত্যাদি।

ভাব বাচ্যত অনী— ছাট্ > ছাটনী, বান্ধ্ > বান্ধনী, গোঁঠ > গোঁঠনী, বুল > বুলনী।

**১০। অনীয়া :** ধাতুৰ অৰ্থৰ সম্বন্ধিত বস্তু বা ব্যক্তি বুজাবলৈ অনীয়া পুৰণি অসমীয়াত অনিয়া (< অন + ইয়া = ঈয়া) ব্যৱহাৰ হয়। যথা— কৰ্তৃবাচ্যত অনীয়া- - মাগ্ + অনীয়া = মগনীয়া (যিয়ে মাগে), বিলা + অনীয়া = বিলনীয়া (যিয়ে বিলায়), যোগা + অনীয়া = যোগনীয়া (যিয়ে যোগায়), লগা + অনীয়া = লগনীয়া (যিয়ে লগায়), চাপ্ + অনীয়া = চপনীয়া (যিয়ে চাপে), ভাগ্ + অনীয়া = ভগনীয়া। ভগনীয়া, চপনীয়া, লগনীয়া, মগনীয়া আদি পদত প্ৰথম অংশত থকা 'আ' ধ্বনি পৰৱৰ্তী আ ধ্বনিৰ প্ৰভাৱত স্বৰ সংগতিৰ বাবে 'অ' হৈছে।

**১১। অনিয়াৰ :** কৰ্তৃবাচ্যত ক্ৰিয়া-কৰ্তা গঠন কৰিবলৈ অন + ইয়া আৰ (< কাৰ ) = অনিয়াৰ যোগ কৰা ক্ৰিয়াৰ অৰ্থৰ লগত সম্বন্ধিত কৰ্তাক বুজায়। যথা,

ভাগ্ + অনিয়াৰ = ভগনিয়াৰ, মাগ্ + অনিয়াৰ = মগনিয়াৰ, যোগ + অনিয়াৰ = যোগনিয়াৰ, নাচ্ + অনিয়াৰ = নাচনিয়াৰ, সাঁচ + অনিয়াৰ = সাঁচনিয়াৰ।

কৰ্মবাচ্যত 'অনিয়াৰ' প্ৰত্যয় :

দেখ্ + অনিয়াৰ = দেখনিয়াৰ, যাক দেখিবলৈ ধুনীয়া।

**১২। অৰীয়া :** অভ্যস্ত বা পাৰ্গত অৰ্থত অৰীয়া (আট > আড় + ঈয়া > আৰ + ঈয়া > আৰীয় বা অৰীয়া) ধাতুৰ ক্ৰিয়া-কৰ্তা গঠন কৰিবলৈ ব্যৱহাৰ হয়। যথা,

পলা + অৰীয়া = পলৰীয়া, স্ত্ৰী-লিংগ— পলৰীয়ানী।

√খা + অৰীয়া = খাৱৰীয়া (√খা ধাতুৰ 'আ' ধ্বনিৰ পিছত 'ৱ' শ্ৰুতি আগম হৈছে)।

**১৩। আঃ, স্ত্ৰী ঈ-অঁতী :** কৃদন্ত নাম শব্দ অৰ্থাৎ বিশেষ্য বা বিশেষণ স্বৰূপে ব্যৱহাৰ কৰিবলৈ আ আৰু স্ত্ৰী-লিংগত ঈ বা অঁতী ধাতুৰ পিছত ব্যৱহাৰ হয়।

(সংস্কৃতত, ইত > অ, ইঅ + আ স্বাৰ্থিক > আ) যথা,

দি + আ = দিয়া, (given দত্ত) 'ই'ৰ পিছত অন্য স্বৰ 'আ' থকা বাবে য়-শ্ৰুতি আগম হৈছে। তেনেকৈ—

সী + আ = সীয়া (চিলাই কৰা), জী + আ = জীয়া, ধো + আ + ধোৱা (ৱ-শ্ৰুতি আগম হৈছে); যা + আ = যোৱা (যা + আ = যাআ > যৱা > যোৱা হৈছে।)

(পৰবৰ্তী আ ধ্বনিৰ প্ৰভাৱত আগৰ আ > অ হৈছে আৰু ৱ-শ্ৰুতি আগম হৈছে)। তেনেকৈ, পা + আ = পোৱা, চা + আ = চোৱা, খা + আ = খোৱা, ল + আ = লোৱা, থ + আ = থোৱা, ক + আ = কোৱা, হ + আ = হোৱা, হাঁহ + আ + হাঁহা, খেল + আ = খেলা, মৰ্ + আ = মৰা, কৰ্ + আ = কৰা, পিন্ধ + আ = পিন্ধা, ধো + আ = ধোৱা, শো + আ = শোৱা, পোৰ + আ = পোৰা, যেনে গালপোৰা— স্ত্ৰী-লিংগত গালপুৰী, চুৱাখোৱা— চুৱাখাঁতী, হতচিৰি যোৱা— হতচিৰি যাতী।

বিশেষণ হিচাপে— মৰা মাছ, জীয়া মাছ, ধোৱা কাপোৰ, শোৱা কোঠা, পঢ়া পুথি, কৰা কাম, কোৱা কথা, লোৱা ধন, দিয়া ধন, সিয়া কাপোৰ, যোৱা কথা, পোৰা মাছ ইত্যাদি।

**১৪। আৰু ঃ** কোনো কাম পাৰ্গত বা অভ্যস্ত বুজাবলৈ ধাতুৰ পিছত কৰ্তৃবাচ্যত ক্ৰিয়া-কৰ্তা গঠন কৰিববলৈ আৰু (সং আৰু + উক > আৰূ আৰু) প্ৰত্যয় যোগ কৰা হয়। যথা,

লিখ্ + আৰু = লিখাৰু, খেল্ + আৰু + খেলাৰু, জিক্ + আৰু = জিকাৰু, যুঁজ + আৰু = যুঁজাৰু ইত্যাদি।

**১৫। উৱা, স্ত্ৰী উৱী ঃ** কৰ্তৃবাচ্যত কোনো কাৰ্যত অভ্যস্ত বা অতিশয় বুজাবলৈ ধাতুৰ পিছত উৱা আৰু স্ত্ৰী-লিংগত উৱী ব্যৱহাৰ কৰা হয়। যথা,

কান্দ্ + উৱা = কান্দুৱা, স্ত্ৰী— কান্দুৱী, কাহ্ + উৱা = কাহুৱা, স্ত্ৰী— কাহুৱী, হাগ্ + উৱা = হাগুৱা, স্ত্ৰী— হাগুৱী, মুত্ + উৱা = মুতুৱা, স্ত্ৰী— মুতুৱী।

**১৬। ই ঃ** ক্ৰিয়াবাচক বিশেষ্য, বিশেষণ বুজাবলৈ কৰ্তৃবাচ্য আৰু ভাববাচ্যত 'ই' প্ৰত্যয় যোগ হয়। যথা,

কৰ্তৃবাচ্যত— মাৰ্ + ই = মাৰি। বহ + ই = বহি। উঠ্ = ই = উঠি। (বিশেষণ বহিৰজা, উঠিৰজা)। মৰ্ + ই = মৰি। (বিণ, মৰি নৈ, মৰি কলং)। মোকল + ই = মুকলি, (বিণ, মুকলি আকাশ, মুকলি মন)। বিশেষ্য— (ইক > ই) চুৰ + ই (আজি ঘৰত চুৰি হোৱাৰ ভয়)।

হাঁহ + ই = হাঁহি (smile) বিকট হাঁহি। অসমাপিকা ক্ৰিয়া ঃ কৰ + ই = কৰি, খা + ই = খাই, হ + ই = হৈ, যা + ই = গৈ, ল + ই = লৈ, দি + ই = দি, শো + ই = শুই, নাচ + ই = নাচি, দেখ্ + ই + দেখি, লিখ্ + ই + লিখি ইত্যাদি।

সকলো পুৰুষ, বচনত ইহঁতৰ একে ৰূপ হয়।

**১৭। ইব, ব ঃ** ভাব বাচ্যত ধাতুৰ পিছত ইব, ব যোগ কৰা হয়। সিদ্ধ পদটো সংজ্ঞা শব্দৰ দৰে ৪ৰ্থী, ৫মী, ৬ষ্ঠীত ৰূপ হ'ব পাৰে।

যথা, কৰ্ + ইব = কৰিব, কৰিবলৈ, কৰিবৰপৰা, কৰিবৰ,
খা + ব = খাব, খাবলৈ, খাবৰপৰা, খাবৰ,
যা + ব = যাব, যাবলৈ, যাবৰপৰা, যাবৰ,
মৰ্ + ইব = মৰিব, মৰিবলৈ, মৰিবৰপৰা, মৰিবৰ ইত্যাদি।

**১৮। ইল ঃ** কৃদন্ত বিশেষণ কৰিবলৈ, ধাতুৰ পছত ইল (ইত-ইল > ইল্ল > ইল) যোগ কৰা হয়। যথা,

আট্ + ইল = আটিল, যা + ইল = গ'ল, (গম + ক্ত + ইল > গ'ল,)। যেনে, গ'ল ৰাতি চোৰ আহিছিল। আটিল দেহত বল বেছি।

**১৯। ইলে, ইলত ঃ** ধাতুৰ পিছত ইলে (< ইল + এ) আৰু ইলত (ইল + ত) যোগ হৈ সংযোজক ক্ৰিয়া বিশেষণৰ দৰে (Conjunctive Adverb) ব্যৱহাৰ হয়। যথা,

(ক) এটা ক্ৰিয়া সম্পন্ন হোৱাৰ ওপৰত আন এটা ক্ৰিয়া নিৰ্ভৰ হোৱা বুজালে ভৱিষ্যৎ কালত আগতে সম্পন্ন হোৱা ক্ৰিয়াৰ ধাতুত 'ইলে' প্ৰত্যয় যোগ কৰা হয়। যথা,

আহ্ + ইলে = আহিলে। সি ঘৰলৈ **আহিলে** মই যাম।
খা + ইলে = খালে। সি ভাত **খালে** আমি খাম।
যা + ইলে = গ'লে। সি ঘৰলৈ **গ'লে** মই পঢ়িম।

(খ) এটা ক্ৰিয়া সম্পন্ন হোৱাৰ পাছত আন এটা ক্ৰিয়া সম্পন্ন হৈছিল এনে অৰ্থ বুজাবলৈ অতীত কালত আগতে সম্পন্ন হোৱা ক্ৰিয়াৰ ধাতুত 'ইলত' প্ৰত্যয় যোগ কৰা হয়। যথা,

আহ্ + ইলত = আহিলত। সি ঘৰলৈ আহিলত আমি আটায়ে চিনেমা চাবলৈ গ'লোঁ। কৰ্ + ইলত = কৰিলত। সি ব্যাকৰণ পঢ়ি শেষ কৰিলত সাহিত্য পঢ়িবলৈ ধৰিলে। হ + ইলত = হ'লত, সূৰ্য উদয় হ'লত আমি ঘৰৰ বাহিৰ হ'লোঁ।

**২০। ঈয়া ঃ** ক্ৰিয়া-কৰ্তা (Noun of Agency) গঢ়িবলৈ ধাতুৰ পিছত ঈয়া যোগ হয়। সাধাৰণতে সকৰ্মক ধাতুৰ কৰ্মৰ সৈতে হোৱা মিশ্ৰ ধাতুৰ পিছত ঈয়া যোগ হয়। যথা,

মাৰ্ + ঈয়া = মৰীয়া যেনে, পহু মাৰ্ + ঈয়া = পহুমৰীয়া
কাট্ + ঈয়া = কটীয়া „ কাঠ কাট্ + ঈয়া = কাঠকটীয়া
ৰাখ্ + ঈয়া = ৰখীয়া „ গৰু ৰাখ্ + ঈয়া = গৰুৰখীয়া

লাগ্ + ঈয়া = লগীয়া। উচিত অৰ্থত ইব (ব) প্ৰত্যয়ান্ত কৃদন্ত পদৰ পিছত 'লগীয়া' যোগ হয়।

দিব— লাগ্ + ঈয়া = দিব লগীয়া,
কৰিব— লাগ্ + ঈয়া = কৰিব লগীয়া,
খাব— লাগ্ + ঈয়া = খাব লগীয়া।
তেনেকৈ যাব লগীয়া, শুনিব লগীয়া, পঢ়িব লগীয়া ইত্যাদি।

DAILY ASSAM



**২১। ওঁতে ঃ** কোনো এটা ক্ৰিয়া কৰি থকা সময়ত আন এটি ক্ৰিয়া সংঘটিত হ'লে চলি থকা আগৰ ক্ৰিয়াৰ ধাতুৰ পিছত 'ওঁতে' প্ৰত্যয় যোগ কৰা হয়। যথা,

পঢ় + ওঁতে = পঢ়োঁতে। ব্যাকৰণ পঢ়োঁতে মন পুতি পঢ়িবা। থাক + ওঁতে = থাকোঁতে। সি ভাত খাই থাকোঁতে, আমি গৈ পালোঁ।

ওঁতে প্ৰত্যয়ান্ত পদ কেতিয়াবা দুবাৰকৈ উচ্চাৰণ কৰি জোৰ বুজোৱা হয়। যথা,

পঢ়োঁতে পঢ়োঁতে। খাওঁতে খাওঁতে। হাঁহোঁতে হাঁহোঁতে। ফুৰোঁতে ফুৰোঁতে। ইত্যাদি।

**২২। পাঁচনী ধাতুত কৃৎ প্ৰত্যয় ঃ**

(১) আনৰ হতুৱাই কোনো কাৰ্য কৰা বুজাবলৈ ধাতুৰ লগত আ, ওৱা বা উৱা যোগ কৰি পাঁচনী ধাতু কৰা হয়। যথা,

কৰ্ + আ = কৰা, কৰ্ + ওৱা = কৰোৱা, বহ্ + আ = বহা,

বহ্ + উৱা = বহুৱা, কান্দ্ + আ = কান্দা, কান্দ্ + উৱা = কন্দুৱা।

(২) পাঁচনী ধাতুত আকৌ কৰ্তৃবাচ্য আৰু ভাব বাচ্যত কিছুমান কৃৎ প্ৰত্যয় যোগ কৰা হয়। যথা,

কৰা— কৰা + ওঁতা = কৰাওঁতা, কৰা + ওঁতে = কৰাওঁতে, কৰা + ইলত = কৰালত, কৰা + ইলে = কৰালে ইত্যাদি। তেনেকৈ শো + আ = শুৱা, শুৱাওঁতা, শুৱাওঁতে ইত্যাদি।

শ্ৰুতি মাধুৰ্যৰ বাবে আ-প্ৰত্যয়ান্ত পাঁচনী ধাতুৰ পিছতহে কৃৎ প্ৰত্যয় যোগ কৰা হয়। উচ্চাৰণ সাপেক্ষে ওৱা বা উৱা প্ৰত্যয়ান্ত পাঁচনীত দুই এঠাইতহে কৃৎ প্ৰত্যয় যোগ হয়।

## (খ) সংস্কৃত কৃৎ প্ৰত্যয়

**৩ ঃ ৬ ঃ** অসমীয়া ভাষাত সংস্কৃত তৎসম শব্দ বহলভাৱে ব্যৱহাৰ হয়। যিবোৰ সংস্কৃত কৃৎ প্ৰত্যয়যুক্ত শব্দ অসমীয়াত ব্যৱহাৰ হয় সেই শব্দবোৰৰ ব্যুৎপত্তি জনাটো উচিত বাবেই সংস্কৃত কৃৎ প্ৰত্যয় সম্বন্ধে আলচ কৰা হ'ল ; প্ৰধানকৈ যিকেইটি কৃৎ প্ৰত্যয়ৰ ব্যৱহাৰ বেছি সেইকেইটি সংস্কৃত কৃৎ প্ৰত্যয় উল্লেখ কৰা হ'ল।

**৩ ঃ ৭** ধাতুৰ পিছত কৃৎ প্ৰত্যয় যোগ দিবৰ বিশিষ্ট নিয়ম কিছুমান আছে। যথা,

(১) প্ৰকৃতিৰ অন্ত্যবৰ্ণৰ পূৰ্ববৰ্ণক উপধা বোলে। যথা, ৰাজন্ শব্দৰ অন্ত্য 'ন' বৰ্ণৰ আগৰ বৰ্ণ 'অ' উপধা ৰ্ + আ + জ্ + অ + ন। তেনেকৈ গম্ ধাতুৰ গ+ অ + ম, ম অন্ত্যবৰ্ণৰ আগৰ বৰ্ণ অ, গতিকে 'অ' উপধা।

(২) ধাতুৰ লগত প্ৰত্যয় সংযোগ কৰোঁতে বিশেষ কাৰণত প্ৰত্যয়ৰ কোনো কোনো বৰ্ণ এৰি দিয়া হয়। এনেকৈ এৰি দিয়া কাৰ্যকে ইৎ বোলে। যেনে, অনট্ প্ৰত্যয়ৰ 'ট' ইৎ যায়, অন থাকে। ণ্যৎ প্ৰত্যয়ৰ 'ণ' আৰু 'ৎ' ইৎ যায়, য কাৰ থাকে।

(৩) প্ৰকৃতি অৰ্থাৎ ধাতু আৰু প্ৰাতিপাদিকৰ শেষৰ স্বৰ ধ্বনিৰ সৈতে পিছৰ বৰ্ণক 'টি' বোলে। ৰাজন্ শব্দৰ শেষৰ স্বৰ 'অ' আৰু 'অ'ৰ পিছৰ 'ন' অৰ্থাৎ 'অন্' অংশটোক টি বোলে। তেনেকৈ গম্ ধাতুৰ 'অম্' টি।

(৪) ধাতুৰ লগত কৃৎ প্ৰত্যয় সংযোগ হ'লে ধাতুৰ অন্ত্যস্বৰ আৰু উপধা হ্ৰস্বস্বৰ গুণ হয়। অৰ্থাৎ ই, ঈ-ৰ ঠাইত এ, উ, ঊ-ৰ ঠাইত ও ঋ-ৰ ঠাইত অৰ হয়। যথা,

বিদ্ + অল্ = বেদ, ভুজ্ + অনীয় = ভোজনীয়, কৃ + তব্য = কৰ্তব্য।

(৫) কেতিয়াবা বিশেষকৈ 'ঞ' আৰু 'ণ' ইৎ যোৱা প্ৰত্যয় পিছত থাকিলে ধাতুৰ অন্ত্যস্বৰ আৰু উপধা হ্ৰস্বস্বৰৰ বৃদ্ধি হয়; অৰ্থাৎ অ-ৰ ঠাইত 'আ', ই, ঈ-ৰ ঠাইত 'ঐ', উ, ঊ-ৰ ঠাইত 'ঔ' আৰু ঋ-ৰ ঠাইত 'আৰ্' হয়। যথা,

পচ্ + ঘঞ = পাক, পঠ্ + ঘঞ = পাঠ, কৃ + ণক = কাৰক ইত্যাদি।

(৬) কৃৎ প্ৰত্যয় যোগ হোৱা ধাতুৰ আগত ব্যৱহাৰ হোৱা পদবোৰক **'উপপদ'** বোলে। যথা,

প্ৰিয়ম্বদ (প্ৰিয়-বদ + খ) পদৰ প্ৰিয় উপপদ।

(৭) প্ৰকৃতি আৰু প্ৰত্যয়ৰ মাজত অইন বৰ্ণ আদি ব্যৱহাৰ হ'লে 'আগম' হোৱা বোলে। যেনে,

কৃ + ক্যপ্ = কৃত্য; ইয়াত 'ত' আগম হৈছে।

(৮) 'য'ৰ ঠাইত 'ই', ৱ-ৰ ঠাইত 'উ' আৰু ঋ-ৰ ঠাইত 'ৰ' হোৱা নিয়মকেই সম্প্ৰসাৰণ বোলে। যথা,

যজ্ + ক্তিন্ = ইষ্টি, ৱচ্ + ক্ত = উক্ত, দৃশ্ + তব্য = দ্ৰষ্টব্য ইত্যাদি।

**৩ ঃ ৮ সাধাৰণ নিয়ম ঃ**

(১) ক, ঙ, শ ইৎ যোৱা প্ৰত্যয়ৰ বাহিৰে আন প্ৰত্যয় পিছত থাকিলে ধাতুৰ অন্ত্যস্বৰ আৰু উপধা হ্ৰস্বস্বৰ গুণ হয়। যথা,

বিদ্ + অল্ = বেদ, ভিদ্ + অল্ = ভেদ, ভুজ্ = অনীয় = ভোজনীয়।

(২) ণ আৰু ঞ ইৎ যোৱা প্ৰত্যয়ৰ আগত থকা ধাতুৰ ই-কাৰাদি স্বৰ আৰু উপধা অ-কাৰৰ বৃদ্ধি হয়। যেনে,

বস্ + ঘঞ = বাস, কৃ + ণক = কাৰক।

কিন্তু, আ-কাৰান্ত ধাতুৰ পিছত য হয়। যথা, দা + ণক = দায়ক

আকৌ হন্ ধাতুৰ ঠাইত ঘাত হয়। হন্ + ণক = ঘাতক।

(৩) প্ৰত্যয়ৰ 'ঘ' ইৎ গ'লে ধাতুৰ অন্ত্য জ-ৰ ঠাইত 'গ' আৰু চ-ৰ ঠাইত 'ক' হয়। যেনে— পচ্ + ঘঞ = পাক, ভুজ্ + ঘঞ = ভোগ।

(৪) প্ৰত্যয়ৰ য ইৎ গ'লে ধাতুৰ আগত থকা উপপদত অনুস্বাৰ আগম হয়। যথা, প্ৰিয়— বদ্ + খ = প্ৰিয়ংবদ বা প্ৰিয়ম্বদ।

(৫) ড ইৎ যোৱা প্ৰত্যয় পিছত থাকিলে ধাতুৰ 'টি' ইৎ যায়। যেনে, পংক— জন্ + ড = পংকজ, দ্বি— জন্ + ড = দ্বিজ।

(৬) প ইৎ যোৱা প্ৰত্যয় পিছত থাকিলে হ্ৰস্ব স্বৰান্ত ধাতুৰ পিছত ত আগম হয়। যথা, কৃ + ক্যপ্ = কৃত্য।

(৭) ত পিছত থাকিলে ধাতুৰ অন্ত্য চ, জ-ৰ ঠাইত 'ক', ছ আৰু শ-ৰ ঠাইত 'ষ' হয়। যথা, ৱচ্ + ক্ত = উক্ত, ভজ্ + ক্ত = ভক্ত। কিন্তু সৃজ, যজ্ ধাতুৰ জ-ৰ ঠাইত 'ষ' হয়। যথা,

সৃজ্ + ক্ত = সৃষ্ট, প্ৰচ্ছ্ + ক্ত = পৃষ্ট, প্ৰ + বিশ্ + ক্ত = প্ৰৱিষ্ট।

(৮) ত আৰু স পিছত থাকিলে ধাতুৰ অন্ত্য দ-ৰ ঠাইত 'ত' হয়। যথা, বি— পদ্ + ক্তিন্ = বিপত্তি।

(৯) ত পিছত থাকিলে ধাতুৰ ভৰ-ঠাইত 'ব' হৈ দুয়ো মিলি ব্ধ হয় (লভ্ + ক্ত = লব্ধ আৰু ধ-ৰ ঠাইত 'দ' হৈ দুয়ো মিলি দ্ধ হয় যুধ্ + ক্ত = যুদ্ধ)।

(১০) দহ্, দুহ্, মুহ আদি ধাতুৰ অন্ত্য হ আৰু প্ৰত্যয়ৰ ত লগ লাগি 'গ্ধ' হয়। যথা,

দহ্ + ক্ত = দগ্ধ, দুহ্ + ক্ত = দুগ্ধ, মুহ্ + ক্ত = মুগ্ধ ইত্যাদি।

সচৰাচৰ অসমীয়া ভাষাত ব্যৱহাৰ হোৱা সংস্কৃত কৃদন্ত পদ আৰু সংস্কৃত কৃৎ প্ৰত্যয়।

### ৩ ঃ ৯ কৃৎ প্ৰত্যয় ঃ

তব্য, অনীয়, ণ্যৎ, যৎ, ক্যপ্— এই পাঁচোটা প্ৰত্যয়ক কৃৎ প্ৰত্যয় কোৱা হয়। উচিত অৰ্থত নাইবা ভৱিষ্যৎ অৰ্থত কৃৎ প্ৰত্যয় ব্যবহাৰ হয়। সিদ্ধ পদ নাম শব্দ হয়।

(১) তব্য ঃ কৰ্ম বাচ্য আৰু ভাব বাচ্যত উচিত অৰ্থত তব্য প্ৰত্যয় ব্যৱহাৰ হয়। ধাতুৰ উপধা গুণ হয়। যথা,

| | |
|---|---|
| গম্ + তব্য = গন্তব্য | কৃ + তব্য = কৰ্তব্য |
| দৃশ্ + তব্য = দ্ৰষ্টব্য | মন্ + তব্য = মন্তব্য |
| শ্ৰু + তব্য = শ্ৰোতব্য | দ + তব্য = দাতব্য |

(২) অনীয় ঃ উচিত অৰ্থত কৰ্ম আৰু ভাব বাচ্যত অনীয় প্ৰত্যয় ধাতুৰ পিছত যোগ হয়। ধাতুৰ উপধা গুণ হয়।

| | |
|---|---|
| কৃ + অনীয় = কৰণীয় | ৰম্ + অনীয় = ৰমণীয় |
| পাল্ + অনীয় = পালনীয়, | দৃশ্ + অনীয় = দৰ্শনীয় |

(৩) ণ্যৎ ঃ উচিত অৰ্থত কৰ্ম আৰু ভাব বাচ্যত ব্যঞ্জনান্ত আৰু ঋ-কাৰান্ত ধাতুৰ পিছত ব্যৱহাৰ হয়। প্ৰত্যয়ৰ য-কাৰহে থাকে, বাকীবোৰ ইৎ যায়। যথা,

কৃ + ণ্যৎ = কাৰ্য, ধৃ + ণ্যৎ = ধাৰ্য, আ— হৃ + ণ্যৎ = আহাৰ্য, হস্ + ণ্যৎ = হাস্য।

ণ্যৎ প্ৰত্যয়ৰ যোগত ধাতুৰ অন্ত্য চ্ আৰু জ ক্ৰমে বিকল্পে ক আৰু গ হয়। যথা,

বচ্ + ণ্যৎ = বাচ্য বা বাক্য, ভজ্ + ণ্যৎ = ভাজ্য বা ভাগ্য, ভুজ্ + ণ্যৎ = ভোজ্য বা ভোগ্য। ণ্যৎ প্ৰত্যয় যোগ হ'লে ধাতুৰ উৎধা বৃদ্ধি হয়।

**(৪) যৎ (য) ঃ** উচিত অৰ্থত ভাব আৰু কৰ্ম বাচ্যত স্বৰান্ত ধাতুৰ পিছত যৎ প্ৰত্যয় ব্যৱহাৰ হয়। ত্ ইৎ যায়, য থাকে। ধাতুৰ উপধা গুণ হয়। যথা,

জি + যৎ = জেয় নী + যৎ = নেয়

কৃৎ প্ৰত্যয়ৰ য পিছত থাকিলে ধাতুৰ ও কাৰৰ ঠাইত অৱ আৰু ঔ কাৰৰ ঠাইত আৱ হয়। যথা,

শ্ৰু + যৎ = শ্ৰব্য ভূ + যৎ = ভব্য

য যোগত ধাতুৰ আ-ৰ ঠাইত 'এ' হয়। যথা,

পা + যৎ = পেয় দা + যৎ = দেয়

পৰি — ধা + যৎ = পৰিধেয় হা + যৎ = হেয়

প বৰ্গান্ত ধাতুৰ পিছত আৰু উপসৰ্গবিহীন গদ, মদ, চৰ্ আৰু যম্ ধাতুৰ পিছত যৎ ব্যৱহাৰ হয়।

লভ্ + যৎ = লভ্য, মদ্ + যৎ = মদ্য, গদ্ + যৎ = গদ্য, চৰ্ + যৎ = চৰ্য, যম্ + যৎ = যম্য। কিন্তু গদ্, মদ আদিত উপসৰ্গ থাকিলে ণ্যৎ প্ৰত্যয়হে ব্যৱহাৰ হয়। ণ্যৎ প্ৰত্যয় যোগ হ'লে উপধা বৃদ্ধি হয়। যথা, নি— গদ্ + ণ্যৎ = নিগাদ্য, বি— চৰ্ + ণ্যৎ = বিচাৰ্য, প্ৰ— মদ + ণ্যৎ = প্ৰমাদ্য ইত্যাদি।

**(৫) ক্যপ্ ঃ** উচিত অৰ্থত ভাব বাচ্য বা কৰ্ম বাচ্যত ই (যোৱা) স্তু, শাস্, (বৃ) (বচা, বৰণ কৰা), দৃ (মান কৰা), জৰ্ (ভবা, সন্তুষ্ট কৰা) ধাতুৰ পিছত ক্যপ্ প্ৰত্যয় যোগ হয়। ক্যপ-ৰ য থাকে।

হ্ৰস্ব স্বৰান্ত ধাতুৰ পিছত ত্ আগম হয়। যথা,

ই + ক্যপ্ = ইত্য, স্তু + ক্যপ্ = স্তুত্য, বৃ + ক্যপ্ = বৃত্য, কৃ + ক্যপ্ = কৃত্য, ভৃ + ক্যপ্ = ভৃত্য। হন্ ধাতুৰ ন-ৰ ঠাইত 'ত' হয়। হন্ + ক্যপ্ = হত্যা। স্ত্ৰীহত্যা, ব্ৰহ্মহত্যা, নৰহত্যা ইত্যাদি।

**শতৃ আৰু শানচ্ (Present Participles)**

শতৃ আৰু শানচ্ প্ৰত্যয় সাধাৰণতে বৰ্তমান কালত সম্পূৰ্ণ ক্ৰিয়া বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত শতৃ আৰু আত্মনেপদী ধাতুৰ পিছত শানচ্ ব্যৱহাৰ হয়।

**(৬) শতৃ ঃ** কৰ্তৃবাচ্যত শতৃ প্ৰত্যয় ব্যৱহাৰ হয় ; 'শতৃ'ৰ অত্ থাকে, শ আৰু ঋ ইৎ যায়। সিদ্ধ পদ বিশেষণ হয়।

চল্ + শতৃ = চলৎ (অস, চলন্ত)

জ্বল্ + শতৃ = জ্বলৎ (অস, জলন্ত)

অস্ + শতৃ = অসৎ (স্ত্ৰী, অসতী)

মহ্ + শতৃ = মহৎ (পুং, মহান, স্ত্ৰী, মহতী)

**(৭) শানচ্ ঃ** কৰ্তৃবাচ্যত বৰ্তমান কালত আত্মনেপদী ধাতুৰ পিছত শানচ্ ব্যৱহাৰ হয়।

DAILY ASSAM



শ চ ইৎ যায় 'আন' থাকে। ভ্বাদি দিৱাদি, আৰু তুদাদি গণীয় ধাতুৰ পিছত 'আন'ৰ ঠাইত 'মান' হয়। সিদ্ধ পদ বিশেষণ হয়। যথা,

বৃৎ + শানচ্ = বৰ্তমান, বি-ৰাজ্ + শানচ্ = বিৰাজমান, প্ৰতি-ই + শানচ্ = প্ৰতীয়মান, বিদ্ + শানচ্ = বিদ্যমান।

কৰ্ম বাচ্যতো ব্যৱহাৰ হয়। যথা,

দৃশ্ + শানচ্ = দৃশ্যমান (শ ইৎ যোৱা প্ৰত্যয় যোগত ধাতুত যকাৰ আগম হৈছে)।

## ঃ নিষ্ঠা প্ৰত্যয় ক্ত আৰু ক্তৱতু

অতীত কাল বুজাবলৈ নিষ্ঠা প্ৰত্যয় ব্যৱহাৰ হয়।

(৮) ক্ত ঃ অতীত কালত কতৃ, কৰ্ম আৰু ভাব বাচ্যত ক্ত প্ৰত্যয় ব্যৱহাৰ হয়। ক্ত প্ৰত্যয়ৰ ক ইৎ যায়। সিদ্ধ পদ প্ৰায়ে বিশেষণ হয়। যথা,

কৰ্তৃবাচ্যত ঃ

ভী + ক্ত = ভীত    গম + ক্ত = গত

মন + ক্ত = মত    নম্ + ক্ত = নত

হন্ + ক্ত = হত    শম্ + ক্ত = শান্ত

কৰ্মবাচ্যত ঃ

দা + ক্ত = দত্ত,    জি + ক্ত = জিত

কৃ + ক্ত = কৃত,    দৃশ + ক্ত = দৃষ্ট

ভুজ্ + ক্ত = ভুক্ত    কথ্ + ক্ত = কথিত

ছিদ্ + ক্ত = ছিন্ন    ভিদ্ + ক্ত = ভিন্ন

মতি, বুদ্ধি আৰু পূজাৰ্থে বৰ্তমান কালতো ক্ত প্ৰত্যয় হয়। যেনে, মন্ + ক্ত = মত, জ্ঞা + ক্ত = জ্ঞাত, পুজ্ + ক্ত = পূজিত।

(৯) ক্তৱতু ঃ সাধাৰণ কৰ্তৃবাচ্যত ক্তৱতু প্ৰত্যয় ব্যৱহাৰ হয়। ক্তৱতু প্ৰত্যয়ৰ তৱৎ থাকে, ক, উ ইৎ যায়। পঠ + ক্তৱতু = পঠিতৱত্ পঠিতৱান, স্ত্ৰী পঠিতৱতী, পৎ + ক্তৱতু = পতিতৱৎ, স্ত্ৰী, পতিতৱতী।

## ক্ত-ক্তৱতু প্ৰত্যয়ান্ত বিভিন্ন পদ

| ধাতু | ক্ত প্ৰত্যয় | ক্তৱতু প্ৰত্যয় |
|---|---|---|
| অস্ (throw) | অস্ত | অস্তৱান্ |
| ক্ৰম্ (to wake) | ক্ৰান্ত | ক্ৰান্তৱান্ |
| ক্ৰী (to buy) | ক্ৰীত | ক্ৰীতৱান্ |
| গম্ (to go) | গত | গতৱান্ |
| গৈ (to sing) | গীত | গীতৱান্ |

| | | |
|---|---|---|
| গ্ৰহ্ (to take) | গৃহীত | গৃহীতৱান্ |
| গুহ (to keep secret) | গূঢ় | গূঢ়ৱান্ |
| ছিদ্ (to cut) | ছিন্ন | ছিন্নৱান্ |
| জন্ (to be born) | জাতঃ | জাতৱান্ |
| দা (to give) | দত্ত | দত্তৱান্ |
| দহ্ (burn) | দগ্ধ | দগ্ধৱান্ |
| পচ্ (to cook) | পক্ক | পক্কৱান্ |
| পাল্ (to protect) | পালিত | পালিতৱান্ |
| পীড়্ (to press) | পীড়িত | পীড়িতৱান্ |
| ভুজ্ (to eat) | ভুক্ত | ভুক্তৱান্ |
| ভু (to be) | ভূত | ভূতৱান্ |
| ৰক্ষ্ (to protect) | ৰক্ষিত | ৰক্ষিতৱান্ |
| ৰুজ্ (to be ill) | ৰুগ্ন | ৰুগ্নৱান্ |
| যজ্ (to sacrifice) | ইষ্ট | ইষ্টৱান্ |
| ৰুহ্ (to rise) | ৰূঢ় | ৰূঢ়ৱান্ |
| ৱহ (to carry) | উঢ় | উঢ়ৱান্ |
| শুচ্ (to regret) | শুষ্ক | শুষ্কৱান্ |
| স্নিহ্ (to love) | স্নিগ্ধ | স্নিগ্ধৱান্ |
| হা (to avoid) | হীন | হীনৱান্ |
| স্থা (to stay) | স্থিত | স্থিতৱান্ |

## ঃ ক্তিন্, ঘঞ্, অনট্ আৰু অল্ প্ৰত্যয়

ধাতু বিশেষে ক্ৰিয়াবাচক বিশেষ্য (abstract noun) গঢ়িবলৈ এইবোৰ প্ৰত্যয় ব্যৱহাৰ হয়।

(১০) ক্তিন্ ঃ ভাব বাচ্যত ধাতুৰ পিছত ক্তিন্ প্ৰত্যয় ব্যৱহাৰ হয়। সিদ্ধপদ স্ত্ৰীলিংগ হয়। ক্তিন্ প্ৰত্যয়ৰ তি থাকে, ক্, ন ইৎ যায়। যথা,

| | | |
|---|---|---|
| কৃ + ক্তিন্ = কৃতি | মন্ + ক্তিন = মতি | বুধ্ + ক্তিন্ = বুদ্ধি |
| গম্ + ক্তিন্ = গতি | প্ৰী + ক্তিন = প্ৰীতি | ভ্ৰম্ + ক্তিন্ = ভ্ৰান্তি |
| মুচ্ + ক্তিন্ = মুক্তি | ৰম্ + ক্তিন্ = ৰতি | সুপ্ + ক্তিন্ = সুপ্তি |
| ভজ্ + ক্তিন্ = ভক্তি | ভিদ + ক্তিন্ = ভিত্তি | সৃজ্ + ক্তিন্ = সৃষ্টি |
| শ্ৰম্ + ক্তিন্ = শান্তি | স্থা + ক্তিন্ = স্থিতি | শক্ + ক্তিন্ = শক্তি |

কিন্তু হা, গ্লা আদি ধাতুৰ লগত 'ক্তিন্'ৰ 'তি'-ৰ ঠাইত 'নি' হয়। যথা, হা + ক্তিন্ = হানি, গ্ল + ক্তিন্ = গ্লানি।

DAILY ASSAM



(১১) **ঘঞ্ঃ** ভাব বাচ্যৰ অৰ্থত ঘঞ্ প্ৰত্যয় ব্যৱহাৰ হয়। ঘ, ঞ্ ইৎ যায়, অ থাকে। ঞ্ ইৎ যোৱাৰ কাৰণে ধাতুৰ শেষৰ স্বৰ আৰু শেষ বৰ্ণৰ আগৰ আকাৰ বৃদ্ধি হয়। যথা,

নশ্ (to destroy) + ঘঞ্ + নাশ

কৰ্তৃবাচ্যৰ বাহিৰে আন কাৰক বাচ্যত ব্যৱহাৰ হয়। যথা,

কৰ্মবাচ্যত— প্ৰাকৃ + ঘঞ্ = প্ৰকাৰ

কৰণবাচ্যত— পদ + ঘঞ্ = পাদ

অপাদান বাচ্যত— আ-হৃ + ঘঞ্ = আহাৰ

অধিকৰণ বাচ্যত— প্ৰ-সদ্ + ঘঞ্ = প্ৰসাদ

(১২) **অনট্ঃ** কৰণ আৰু অধিকৰণ বাচ্যত অনট্ প্ৰত্যয় ব্যৱহাৰ হয়। ইয়াৰ 'ট' ইৎ যায়। থাকে 'অন'।

| | |
|---|---|
| কৰণ বাচ্যত— | চৰ্ + অনট্ = চৰণ |
| | নী + অনট্ = নয়ন |
| | ক + অনট্ = কৰণ |
| অধিকৰণ বাচ্যত— | স্থা + অনট্ = স্থান |
| | ভূ + অনট্ = ভৱন |
| | শী + অনট্ = শয়ন |

(১৩) **অল্ঃ** ঘঞ্ প্ৰত্যয় হোৱা অৰ্থতে কেৱল কোনো কোনো ধাতুৰ পিছত অল্ প্ৰয়োগ হয়। অল্ প্ৰত্যয়ৰ ল ইৎ যায় অ থাকে। ঘঞ্ প্ৰত্যয় হ'লে ধাতুৰ অন্ত্যস্বৰ বা ঠিক আগতে থকা আকাৰৰ বৃদ্ধি হয়। কিন্তু অল্ প্ৰত্যয় যোগ হ'লে গুণহে হয়। যথা,

ভূ + অল্ = ভৱ      তুষ্ + অল্ = তোষ

ক্ত প্ৰত্যয়ান্ত পদ বিশেষণ হয়। ক্তিন্, ঘঞ্, অনট্ আৰু অল্ প্ৰত্যয়ান্ত পদ বিশেষ্য হয়।

**ঃ যুচ (অন) আৰু অ)**

(১৪) **ঃ যুচ্ ঃ** ণিজন্ত (পাঁচনী) ধাতুৰ পিছত ভাব বাচ্যৰ অৰ্থত যুচ্ (অন) ব্যৱহাৰ হয়। সিদ্ধপদ স্ত্ৰীলিংগ। যথা,

| | |
|---|---|
| ভাবি + যুচ্ (অন) = ভাবনা, | গণি + যুচ্ (অন) = গণনা, |
| তাড়ি + যুচ্ (অন) = তাড়না, | যান্ত্ৰি + যুচ্ (অন) = যন্ত্ৰণা, |
| ৰসি + যুচ্ (অন) = ৰসনা, | বেদি + যুচ্ (অন) = বেদনা, |

(১৫) **অ (ঙ) ঃ** সন্ প্ৰভৃতি প্ৰত্যয়ান্ত আৰু ক্যচ্, ক্যঙ্ প্ৰভৃতি নাম ধাতুৰ পিছত ভাব বাচ্যৰ অৰ্থত 'অ' প্ৰত্যয় যোগ হয়। সিদ্ধপদ স্ত্ৰীলিংগ। যথা,

হন্ + সন্ + অ = জিঘাংসা

তপস্ + ক্যঙ্ + অ = তপস্যা

জ্ঞা + সন্ + অ = জিজ্ঞাসা

ঈ, উ, এ যুক্ত ব্যঞ্জন বৰ্ণান্ত ধাতুৰ পিছত ভাব বাচ্যত 'ই' হয়। যথা

দীক্ষ্ + অ = দীক্ষা, পীড়্ + অ = পীড়া, পৰি-ইক্ষা + অ = পৰীক্ষা। তেনেকৈ ভিক্ষা + অ = ভীক্ষা, শিক্ষা + অ = শিক্ষা, প্ৰ-শংস্ + অ = প্ৰশংসা, লিখ্ + অ = লেখা, লস্‌জ + অ = লজ্জা, মূৰ্চ্ছ্ + অ = মূৰ্চ্ছা।

চিন্তি, পূজি, কথি, কুম্বি (Embracing) আৰু চৰ্চি ধাতুৰ পিছত 'অ' প্ৰত্যয় যোগ হয়। সিদ্ধ পদ স্ত্ৰীলিংগ। যথা,

চিন্তি + অ = চিন্তা, পূজি + অ = পূজা, কথি + অ = কথা, কুম্বি + অ = কুম্বা (Embracing), চৰ্চি + অ = চৰ্চা।

'অ' প্ৰত্যয়ান্ত শব্দবোৰ বিশেষ্য।

**(১৬) ণ্বুল্, তৃচ ঃ** কৰ্তৃবাচ্যৰ অৰ্থত ধাতুৰ পিছত ণ্বুল্ আৰু তৃচ্ যোগ হয়। ণ্বুল্ প্ৰত্যয়ৰ ঠাইত অক হয় আৰু তৃচ্ প্ৰত্যয়ৰ চ্ ইৎ যায়, তৃ থাকে মাথোন।

| | ধাতু | ণ্বুল্ | তৃচ্ |
|---|---|---|---|
| যিয়ে কৰে সি | কৃ | কাৰক | কৰ্তৃ, কৰ্তা |
| যিয়ে দিয়ে সি | দা | দায়ক | দাতা |
| যিয়ে হৰে সি | হৃ | হাৰক | হৰ্তা |
| যিয়ে লয় সি | গ্ৰহ্ | গ্ৰাহক | গ্ৰহীতা |
| যিয়ে কয় সি | ৱচ্ | ৱাচক | ৱক্তা |
| যিয়ে নিয়ে সি | নী | নায়ক | নেতা |
| যিয়ে শুনে সি | শ্ৰু | শ্ৰাৱক | শ্ৰোতা |
| যিয়ে পালে সি | পালি | পালক | পালয়িতা |
| যিয়ে সিচে সি | সিচ্ | সেচক | সেক্তা |
| যিয়ে সেৱে সি | সেৱ্ | সেৱক | সেৱিতা |
| যিয়ে থাপে সি | স্থাপি | স্থাপক | স্থাপিতা |

বুল্ প্ৰত্যয়ান্ত পদ স্ত্ৰীলিংগত আ-কাৰান্ত হয় আৰু তৃচ্ প্ৰত্যয়ান্ত পদ ঈ-কাৰান্ত হয়। সিদ্ধপদ সদায় বিশেষ্য। যথা,

| | | | | | |
|---|---|---|---|---|---|
| নায়ক | স্ত্ৰী | নায়িকা | নেতা | স্ত্ৰী | নেত্ৰী |
| গ্ৰাহক | স্ত্ৰী | গ্ৰাহিকা | গ্ৰহিতা | স্ত্ৰী | গ্ৰহিত্ৰী |
| পালক | স্ত্ৰী | পালিকা | পালয়িতা | স্ত্ৰী | পালয়িত্ৰী |
| সেৱক | স্ত্ৰী | সেৱিকা | কাৰক | স্ত্ৰী | কাৰিকা ইত্যাদি |

**ঃ ল্যু, ণিনি আৰু অচ্**

কৰ্তৃবাচ্যৰ অৰ্থত নন্দ্ আদিৰ পিছত ল্যু, গ্ৰহ্ আদি ধাতুৰ পিছত ণিনি আৰু পচ্ প্ৰভৃতি ধাতুৰ পিছত অচ প্ৰত্যয় ব্যৱহাৰ হয়।

DAILY ASSAM



**(১৭) ল্যু ঃ** কর্তৃবাচ্যৰ অৰ্থত নন্দ্ প্ৰভৃতি ধাতুৰ পিছত ব্যৱহাৰ হয়। 'ল্যু'-ৰ ঠাইত 'অন' হয়। সিদ্ধপদ বিশেষ্য হয়। যথা,

যিয়ে আনন্দ দান কৰে সি নন্দ্ + ল্যু = নন্দন (অৰ্থাৎ পুত্ৰ)
যিয়ে তপ্ত কৰে সি তপ্ + ল্যু = তপন (অৰ্থাৎ সূৰ্য)
যিয়ে পোৰে সি দহ্ + ল্যু = দহন (অৰ্থাৎ জুই)
যিয়ে ভয় খুৱায় সি ভী + ণিচ্ + ল্যু = ভীষণ।

**(১৮) ণিনি ঃ** কর্তৃবাচ্যৰ অৰ্থত গ্ৰহ প্ৰকৃতি ধাতুৰ পিছত ণিনি প্ৰত্যয় যোগ হয়। ণিনি প্ৰত্যয়ৰ ঠাইত 'ইন' থাকে। ণ্ ইৎ হোৱা বাবে অন্ত্যস্বৰ আৰু উপধা আকাৰ বৃদ্ধি হয়। যথা,

যিয়ে গ্ৰহণ কৰে সি গ্ৰহ্ + ণিনি = গ্ৰাহী, (গ্ৰাহিন্)
যিয়ে তিষ্ঠি থাকে সি স্থা + ণিনি = স্থায়ী
যিয়ে মন্ত্ৰণা দিয়ে সি স্থা + ণিনি = মন্ত্ৰী
যিয়ে বসবাস কৰে সি অধি-বস্ + ণিনি = অধিবাসী

নিন্দা অৰ্থ বুজাবলৈ আগত কৰ্ম পদ থকা হন্ ধাতুৰ পিছত কর্তৃবাচ্য আৰু অতীত কালৰ অৰ্থ ণিনি ব্যৱহাৰ হয়। যথা,

যিয়ে পিতাকক হত্যা কৰে সি পিতৃ-হন্ + ণিনি = পিতৃঘাতী।

সেইদৰে মাতৃঘাতী, মিত্ৰঘাতী, পুত্ৰঘাতী ইত্যাদি।

আকৌ সুবন্ত পদ (জাতিবাচক নহয়) আগত থাকিলে অথবা উপসৰ্গ আগত থাকিলে ধাতুৰ অন্তত কর্তৃবাচ্যৰ অৰ্থত শীল বা স্বভাৱ বুজাবলৈ ণিনি ব্যৱহাৰ হয়। যথা,

হৃদয়-গ্ৰহ্ + ণিনি = হৃদয়গ্ৰাহী
সত্য বদ্ + ণিনি = সত্যবাদী
উৎ-সহ্ + ণিনি = উৎসাহী

**(১৯) অচ্ ঃ** পচ্ প্ৰভৃতি ধাতুৰ পিছত কর্তৃবাচ্যৰ অৰ্থত অচ্ প্ৰত্যয় ব্যৱহাৰ হয়। 'অচ্' প্ৰত্যয়ৰ চ ইৎ যায়, অ থাকে। যথা,

যি জ্বলে সি দিব্ + অচ্ = দেৱ
যি জীয়াই থাকে সি জীৱ্ + অচ্ = জীৱ
যি এঁকা-বেঁকাকৈ যায় সি সৃপ্ + অচ্ = সৰ্প
পৎ নামৰ নৰকৰপৰা ৰক্ষা কৰে যি সি পুৎ + ত্ৰৈ + অচ্ = পুত্ৰ (ড প্ৰত্যয়ো সম্ভৱ)।

**(২০) ক ঃ** কৰ্মবাচক পদৰ পিছত থকা আকাৰান্ত ধাতুৰ শেষত কর্তৃবাচ্যৰ অৰ্থত ক প্ৰত্যয় যোগ হয়। ক ইৎ যায় 'অ' থাকে। যথা,

যি সকলো জানে সি সৰ্ব-জ্ঞা + ক = সৰ্বজ্ঞ
যি মানুহক ৰক্ষা কৰে সি নৃ-পা + ক = নৃপ
যি জল দান কৰে সি জল-দা + ক = জলদ }
বা জল দান কৰে সি ৱাৰি-দা + ক = ৱাৰিদ } অৰ্থাৎ মেঘ
বা জল দান কৰে সি অম্বু-দা + ক = অম্বুদ }

| | |
|---|---|
| যি ৰস জানে সি | ৰস-জ্ঞা + ক = ৰসজ্ঞ |
| যি ধৰ্ম জানে সি | ধৰ্ম-জ্ঞা + ক = ধৰ্মজ্ঞ |
| যি ভূ বা পৃথিৱী পালন কৰে সি | ভূ-পা + ক = ভূপ |
| যি জানে সি | ৱিদ্ + ক = ৱিদ |
| বা জানে সি | ৱিদ্ + ক = ৱিদ |
| যিয়ে আনন্দ দিয়ে সি | প্ৰী + ক = প্ৰিয় (প্ৰীণাতি যঃ সঃ) |

## ঃ ক্কপ্, (বা কিন্) আৰু কঞ

(২১) তদ্, যদ্, ইদম্, এতদ্, অস্মদ্, যুষ্মদ, অদস্, অন্য আৰু সমান শব্দ কৰ্ম কাৰক হৈ ব্যৱহাৰ হ'লে তাৰ পিছত জ্ঞানাৰ্থক দৃশ্ (কিন্তু 'দেখা' অৰ্থত নহয়) ধাতুৰ পিছত ক্বিপ্, বা কঞ্ প্ৰত্যয় ব্যৱহাৰ হয়। ক্কপ্, প্ৰত্যয়ৰ সকলোটি ইৎ যায়, কঞ্ প্ৰত্যয়ৰ ক, ঞ, ইৎ যায় থাকে মাথোন 'অ'। যেনে,

তাৰ নিচিনা যি দেখা যায় সিয়ে, তদ্-দৃশ্ + ক্বিপ্ = তাদৃক

তদ্ + দৃশ্ + কঞ্ = তাদৃশ

তেনেকৈ, যদ্ + দৃশ্ + ক্বিপ্ = যাদৃক

\+ কঞ্ = যাদৃক

তেনেকৈ, এতাদৃক এতাদৃশ, সদৃক, সদৃশ্।

(২২) ভাব-বাচ্যৰ অৰ্থতো ক্বিপ্, প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

আ-পদ্ + ক্বিপ্ = আপদ

বি-পদ্ + ক্বিপ্ = বিপদ্

পৰি-সদ্ + ক্বিপ্ = পৰিষদ

তেনেকৈ, সভা-সদ্ + ক্বিপ্ = সভাসদ

(২৩) ড ঃ সপ্তমী বিভক্তিযুক্ত পদৰ পিছত জন্ ধাতুত কৰ্তৃবাচ্য আৰু অতীত কালৰ অৰ্থত ড প্ৰত্যয় হয়। ড ইৎ যায়, 'অ' থাকে। যথা,

| | |
|---|---|
| সৰোবৰত জন্মে অৰ্থত | সৰস্-জন্ + ড = সৰোজ |
| পংকত (বোকাত) জন্মে অৰ্থত | পংক-জন্ + ড = পংকজ |
| জলত জন্মে অৰ্থত | জল-জন্ + ড = জলজ |

এইবোৰৰ অৰ্থ হৈছে পদুম (Lotus)

তেনেকৈ উপসৰ্গ থাকিলেও ড হয়। যথা,

অনু (পাছত)— জন্ + ড = অনুজ (সৰু ভায়েক)

অগ্ৰজ (আগতে)— জন্ + ড = অগ্ৰজ (ডাঙৰ ভাই, ককাই)

দ্বি (দুবাৰ)— জন্ + ড = দ্বিজ (চৰাই বা ব্ৰাহ্মণ)

তেনেকৈ গম্ ধাতুৰ পিচতো ড বহে। যথা,

ৱিহায়স্ (পাখিৰে-গম + ড = ৱিহংগম, বিহগ, বিহংগ (পক্ষী)

ভুজ (বেঁকাকৈ-গম + ড = ভুজগ, ভুজংগ, ভুজগংম (সাপ)

(২৪) কি ঃ ৱি-ধা + কি = বিধি, সম-ধা + কি = সন্ধি
(২৫) ক্ত্রি ঃ কৃ + ক্ত্রি = কৃত্ৰিম
(২৬) উ ঃ ইষ + উ = ইচ্ছু ভিক্ষ্ + উ = ভিক্ষু
(২৭) ণঙ্ ঃ যৎ + ণঙ্ = যত্ন প্ৰচ্ছ + ণঙ্ = প্ৰশ্ন
(২৮) ত্ৰ ঃ কৰণ বাচ্যৰ অৰ্থত ব্যৱহাৰ হয়। যথা,
নিয়া যায় যাৰ দ্বাৰা সি নী + ত্ৰ = নেত্ৰ।
তেনেকৈ অস্ + ত্ৰ = অস্ত্ৰ স্তু + ত্ৰ = স্তোত্ৰ, শাস্ + ত্ৰ = শাস্ত্ৰ
(১৯) ইত্ৰ ঃ পো + ইত্ৰ = পৱিত্ৰ, চৰ্ + ইত্ৰ = চৰিত্ৰ
(৩০) খল ঃ সু-কৃ + খল = সুকৰ,
সু-গম্ + খল = সুগম,
দুঃ-কৃ + খল = দুষ্কৰ,
দুঃ-গম্ + খল = দুৰ্গম

### ৩ ঃ ১০ প্ৰত্যয়ান্ত ধাতু

ধাতুৰ পিছত ণিচু (পাঁচনী) সন্, যঙ্ আৰু নামধাতু আদিৰ প্ৰত্যয় যোগ কৰি গঢ়ি লোৱা সংস্কৃতৰ প্ৰত্যয়ান্ত ধাতু অসমীয়াত ব্যৱহাৰ নহয়। পাঁচনী আৰু নামধাতু অসমীয়াত বেলেগ ধৰণে অসমীয়া প্ৰত্যয়ৰ যোগেদি গঢ়ি উঠে। সনন্ত আৰু যঙন্ত প্ৰত্যয়ৰ অসমীয়াত ব্যৱহাৰ নাই। সংস্কৃতৰ তৎসম শব্দ গ্ৰহণ কৰা বাবেহে অসমীয়াত প্ৰত্যয়ান্ত ধাতুৰ পিছত বিভিন্ন কৃৎ প্ৰত্যয় যোগ হৈ হোৱা কৃদন্ত পদৰ ব্যৱহাৰ আছে। তলত অসমীয়াত ব্যৱহাৰ হোৱা প্ৰত্যয়ান্ত ধাতুৰপৰা [অৰ্থাৎ ণিচ্ (ই), সন্ (স), যঙ্ (ঘ) আদি যোগ হৈ নকৈ গঢ়ি উঠা ণিজন্ত, সনন্ত, যঙন্ত আদি ধাতুৰপৰা] কৃৎ প্ৰত্যয়ৰ যোগত গঢ়ি কৃদন্ত পদসমূহ উল্লেখ কৰা হ'ল।

(১) ণিজন্ত (পাঁচনী) ধাতুৰপৰা হোৱা কৃদন্ত পদ ঃ

| মূল ধাতু | — ণিজন্তৰূপ | কৃৎ প্ৰত্যয় | — সিদ্ধান্ত কৃদন্ত পদ |
|---|---|---|---|
| পা | — পালি | + অন | — পালন |
| স্থা | — স্থাপি | + অন | — স্থাপন |
| জ্ঞা | — জ্ঞাপি | + অন | — জ্ঞাপন |
| ঋ | — অপি | + অন | — অৰ্পণ |
| ভী | — ভীষি | + লু (অন) | — ভীষণ |
| ভূ | — ভাবি | + অন | — ভাবনা |
| তাড়্ | — তাড়ি | + অন | — তাড়না |
| ৰস্ | — ৰসি | + অন | — ৰসনা |
| গণ্ | — গণি | + অন | — গণনা |

সংস্কৃত সনন্ত ধাতুৰপৰা অহা কৃদন্ত পদ ঃ

(২) ইচ্ছা অৰ্থত ব্যৱহাৰ হোৱা

| মূল ধাতু | সনন্ত | কৃৎ প্ৰত্যয় | সিদ্ধ কৃদন্ত পদ |
|---|---|---|---|
| শ্ৰু | — শুশ্ৰূষা— | + অ + আ (স্ত্ৰী)— | শুশ্ৰূষা (শুনিব বা পৰিচৰ্যাৰ ইচ্ছা) |
| মান্ | — মীমাংসা | — অ + আ — | মীমাংসা — (নিষ্পত্তিৰ ইচ্ছা) |
| মুচ্ | — মুমুক্ষ | — উ | — মুমুক্ষু (মুক্তিৰ ইচ্ছুক) |
| মৃ | — মুমূৰ্ষ | — উ | — মুমূৰ্ষ (মৰোঁ মৰোঁ অৱস্থা) |
| পা | — পিপাস্ | — অ + আ — | পিপাসা (পান কৰিবৰ ইচ্ছা) |
| জ্ঞা | — জিজ্ঞাস্ | — অ + আ — | জিজ্ঞাসা (জানিবৰ ইচ্ছা) |
| ভুজ্ | — বুভুক্ষ্ | — অ + আ — | বুভুক্ষা (খাবৰ ইচ্ছা) |
| কিৎ | — চিকিৎস্ | — অ + আ | — চিকিৎসা (ৰোগ দূৰ কৰাৰ ইচ্ছা) |
| হন্ | — জিঘাংস | — অ + আ — | জিঘাংসা(বধ কৰিবৰ ইচ্ছা) |

(৩) পুনঃ পুনঃ বা অতিশয় অৰ্থত কিছুমান ধাতুৰ পিছত যঙ্ প্ৰত্যয় ব্যৱহাৰ হৈ গঢ়ি উঠা কৃদন্ত পদ ঃ

| মূল ধাতু | সনন্ত | কৃৎ প্ৰত্যয় | সিদ্ধ কৃদন্ত পদ |
|---|---|---|---|
| জ্বল + যঙ্ | = জাজ্বল্য + শানচ্ | = জাজ্বল্যমান | (অতিশয় উজ্জ্বল) |
| দুল + যঙ্ | = দোদুল্য + শানচ্ | = দোদুল্যমান | (ওলমি দুলি থকা) |
| দীপ্ + যঙ্ | = দেদীপ্য + শানচ্ | = দেদীপ্যমান | (অতিশয় দীপ্ত) |
| গম + যঙ্ | = জংগম + অন্ | = জংগম | (পুনঃ পুনঃ গৈ থকা) |
| যা + যঙ্ | = যাযায়্ + বৰচ্ | = যাযাবৰ | (সদায় ঘূৰি ফুৰা অঘৰী) |
| লুভ + যঙ্ | = লোলুপ্ + অন্ | = লোলুপ | (অতিশয় লোভ থকা) |

(৪) নাম ধাতুৰপৰা উদ্ভৱ হোৱা কেইটিমান কৃদন্ত পদ ঃ

দণ্ড্ + য = দণ্ডায় + শানচ্ = দণ্ডায়মান

শব্দ্ + য = শব্দায় = শানচ্ = শব্দায়মান ইত্যাদি।

**৩ ঃ ১১ নিপাতে সিদ্ধ কিছুমান কৃদন্ত পদ ঃ**

গো—বিদ + শ = গোবিন্দ, অমা—বস্ + ঘ্যণ্ = অমাৱস্যা

(অমা, অৰ্থাৎ চন্দ্ৰৰ আদ্য কলাৰ সৈতে চন্দ্ৰ-সূৰ্য এই তিথিত একেলগে বাস কৰে- এনে অৰ্থত অমাৱস্যা)

| | |
|---|---|
| পচ্ + ক্ত = পক্ক | ঋ + ক্ত = ঋণ |
| গম্ + ক্বিপ = জগৎ | ভৃ + ক্যপ্ = ভাৰ্যা |
| শী + ক্যপ্ = শয্যা, | হন্ + অস = বধ |
| কৃ + শ = ক্ৰিয়া | মৃগি + শ = মৃগয়া |
| কৃ + মন্ = কৰ্ম | ধৃ + মন্ = ধৰ্ম |
| হু্ন্ + ম = হোম্ ইত্যাদি। | |

**৩ ঃ ১২ ধাতুৰ লগত প্ৰত্যয় যোগত বিশেষ্য আৰু বিশেষণ পদ ঃ**

বিভিন্ন ধাতুৰ লগত বেলেগ বেলেগ কৃৎ প্ৰত্যয় যোগ কৰি কেতিয়াবা বিশেষ্য পদ আৰু কেতিয়াবা বিশেষণ পদ পাব পাৰি। কিছুমান প্ৰত্যয়ৰ যোগত বিশেষ্য গঠিত হয় আৰু কিছুমান প্ৰত্যয়ৰ বিশেষণ গঠিত হয়। তলত আলোচনা কৰা হ'ল।

ভাব বাচ্যৰ অৰ্থত যোগ হোৱা ঘঞ্, অল্, অনট্, ক্তিন্, ঙ (অ), যুচ্ (অন), ল্যু (অন), অচ্ আদি প্ৰত্যয় ধাতুৰ পিছত যোগ কৰিলে সাধাৰণতে বিশেষ্য পদ হয়।

ভাব বাচ্যৰ অৰ্থৰ বাহিৰে অইন বাচ্যাৰ্থত ব্যৱহাৰ হোৱা ক্ত, ক্তৱতু, তৃচ্, তব্য, অনীয়, ণ্যৎ, ক্যপ্, শতৃ, শানচ্ আদি প্ৰত্যয়ৰ ধাতুৰপৰা বিশেষ্য গঠন কৰিব পাৰি।

| ধাতু | কৃৎ প্ৰত্যয় | বিশেষ্য | কৃৎ প্ৰত্যয় | বিশেষণ |
|---|---|---|---|---|
| গম্ | অনট্ | গনন, | + তব্য | গন্তব্য |
| | | | + য | গম্য |
| কৃ | অনট্ | কৰণ, | + তব্য | কৰ্তব্য |
| | | | + অনীয় | কৰণীয় |
| স্থা | অনট্ | স্থান, | + অনীয় | স্থানীয় |
| দা | অনট্ | দান, | + তব্য | দাতব্য |
| | | | + য | দেয় |
| | | | + তৃচ্ | দাতা |
| লভ্ | ঘঞ্ | লাভ, | + য | লভ্য |
| | | | + ক্ত | লব্ধ |
| পচ্ | ঘঞ্ | পাক, | + অনীয় | পচনীয় |
| দৃশ্ | ক্তিন্ | দৃষ্টি, | + ক্ত | দৃষ্ট |
| | | | + তব্য | দ্ৰষ্টব্য |
| | | | + অনীয় | দৰ্শনীয় |

গতিকে বিশেষ্য বুজোৱা প্ৰত্যয় যোগত ধাতুৰপৰা বিশেষ্য হয়। তেনেকৈ বিশেষণ কৰিবলৈ ধাতুৰ পিছত বিশেষণবোধক প্ৰত্যয় যোগ কৰিলে বিশেষণ পদ পাব পাৰি। এনেকৈ বিশেষ্য পদক বিশেষণ বা বিশেষণ পদক বিশেষ্যলৈ পৰিৱৰ্তন কৰিব পাৰি।

DAILY ASSAM

## অনুশীলনী

১। প্ৰত্যয় বুলিলে কি বুজাঁ? কৃৎ প্ৰত্যয় কাক বোলে?

২। গুণ, বৃদ্ধি, সম্প্ৰসাৰণ, উপধা কাক বোলে? উদাহৰণ দি বুজাই দিয়াঁ।

৩। বাচ্য বুলিলে কি বুজাঁ? প্ৰত্যয়ৰ বাচ্য কেইবিধ আৰু কি কি? উদাহৰণ দি বুজাই দিয়াঁ।

৪। বিশেষ্য আৰু বিশেষণ পদ কি কি প্ৰত্যয়ৰ যোগেদি গঠন কৰিব পাৰি উদাহৰণ দিয়াঁ।

৫। তলত দিয়া পদবোৰৰ প্ৰত্যয় আৰু বাচ্য স্থিৰ কৰাঁ ঃ

বিদ্যা, নায়ক, পাঠ্য, বাঢ়নী, কৰোঁতা, দেয়, লিখক, জ্বলন্ত, বাছনি, বিচনী, পলৰীয়া, সাঁচনিয়াৰ, কাহুৰা, দৃশ্যমান, পুত্ৰ, মন্ত্ৰী, সেৱক, জীৱ, নয়ন, বিলনীয়া, বুলনী, ঢাকনী, লিখনি, নৰহত্যা, শক্তি, ভক্তি, স্থান, ৰসনা, যন্ত্ৰণা, ভৱ।

৬। তলৰ প্ৰত্যয়কেইটি কি অৰ্থত ব্যৱহাৰ হয় লিখা আৰু একোটাকৈ উদাহৰণ দিয়া ঃ

— শানচ্, — অনি, — অনীয়া, — ক্ত, — ওঁতা, — তৃচ্, — ড, — ঘঞ্,
— ঙ (অ), — অঁতী, — অ, — ই, — ইব, — অন্ত, — ল্যু (অন) — শতৃ,
— ক্তৱতু, — ইয়া, — উৱা, — ইলত, — অতি, — ক্তিন্, — অল্, — আ, — অন।